জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১৪/২০২০

# ৰাজ্যৰ কেইবাগৰাকীও জ্যেষ্ঠ শিল্পী, অভিনেতাৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰিলে মুখ্যমন্ত্ৰীয়ে

## সমাজত জনসচেতনতা সৃষ্টি কৰাৰ দিশত শিল্পীসকলে লোৱা ভূমিকাৰ শলাগ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৬ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি টেলিফোনযোগে ৰাজ্যখনৰ কেইবাগৰাকী প্ৰতিষ্ঠিত তথা জ্যেষ্ঠ শিল্পী, অভিনেতা, কলা-কুশলী, ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰযোজকৰ সৈতে মত-বিনিময় কৰি তেখেতসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি কুশল-মঙ্গল কামনা কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে সমাজত শিল্পীসকলে সদায়ে সকলোৰে পৰা শ্ৰদ্ধা আৰু মৰ্যাদা লাভ কৰি আহিছে। সেয়েহে এই জটিল পৰিস্থিতিৰ সময়ত শিল্পীসকলে মনোবল অটুট ৰাখি সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণক সজাগ আৰু সচেতন কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ক'ভিড-১৯ প্ৰতিহত কৰাৰ বাবে সামাজিক দূৰত্ব ইত্যাদি বজাই ৰখাৰ দিশটো শিল্পীসকলে যি জনসচেতনতা সৃষ্টি কৰিলে তাৰ বাবে মুখ্যমন্ত্ৰীয়ে শিল্পীসকলক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ সংক্ৰমণৰ প্ৰতিৰোধকল্পে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী তথা সাধাৰণ জনসাধাৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থালী সম্পৰ্কত জ্যেষ্ঠ শিল্পী কেইগৰাকীৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে জ্যেষ্ঠ শিল্পী কেইগৰাকীয়ে লক্-ডাউনৰ সময়ছোৱাত কেনেদৰে ইতিবাচকভাৱে সময় কটাইছে সেই সম্পৰ্কেও বুজ লোৱাৰ উপৰি শিল্পী কেইগৰাকী যাতে সদায়ে সুৰক্ষিত হৈ থাকি অসমৰ কৃষ্টি-সংস্কৃতিৰ বৰপথাৰলৈ আৰু অধিক বৰঙণি যোগাই যাব পাৰে তাৰে কামনা কৰে।

মুখ্যমন্ত্ৰীয়ে আজি নৃত্যাচাৰ্য যতীন গোস্বামী, প্ৰখ্যাত সংগীতজ্ঞ আৰু বাঁহীবাদক প্ৰভাত শৰ্মা, লোকগীতৰ শিল্পী ধনদা পাঠক, প্ৰখ্যাত কণ্ঠশিল্পী পুলক বেনাৰ্জী, প্ৰখ্যাত সংগীত পৰিচালক ভূপেন উজীৰ, প্ৰখ্যাত কণ্ঠশিল্পী নমিতা ভট্টাচাৰ্য, মনীষা হাজৰিকা, মালবিকা বৰা, কুল বৰুৱা, বিশিষ্ট সংগীত পৰিচালক ৰমেন চৌধুৰী, অভিনেত্ৰী বিনা বাৰুৱতী, বিশিষ্ট কণ্ঠশিল্পী অনিমা চৌধুৰী, সন্ধ্যা মেনন, জ্যেষ্ঠ সংগীত শিল্পী সুদক্ষিণা শৰ্মা, অৰ্চনা মহন্ত, মনোজোৎস্না গোস্বামী, সংগীতা কাকতি, তৰালী শৰ্মা, পাহাৰী দাস, ৰাজেন গোহাই, শ্বাস্বতী ফুকন, বিশিষ্ট প্ৰযোজক অশোক বিষয়া, ৰাজশ্ৰী ফুকন, বিশিষ্ট শব্দ অভিযন্তা ধ্ৰুৱজ্যোতি ফুকন, বিশিষ্ট অভিনেত্ৰী সীমা বিশ্বাস, বিশিষ্ট অভিনেত্ৰী মৃদুলা বৰুৱা, পূৰ্ণিমা শইকীয়া পাঠক, বিদ্যা ৰাও, মঞ্জু বৰা, মলয়া গোস্বামী, কাশ্মীৰী শইকীয়া, বিশিষ্ট অভিনেতা নিপন গোস্বামী, বিষ্ণু খাৰঘৰীয়া, বিশিষ্ট অভিনেত্ৰী চেতনা দাস, মঞ্জুলা বৰুৱা, বিশিষ্ট অভিনেতা অতুল পাচনি, জয়ন্ত ভাগৱতী, সিদ্ধাৰ্থ শৰ্মা, দ্বাৰা আহমেদ, প্ৰাঞ্জল শইকীয়া, হিৰেণ গোহাঁই, জয়ন্ত দাস, অবিনাশ শৰ্মা, ভ্ৰাম্যমান থিয়েটাৰৰ বিশিষ্ট প্ৰযোজক কৃষ্ণ ৰয়, বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকন, চম্পক শৰ্মা, দশৰথ দাস, উপকুল বৰদলৈ, হিৰা নেওগ, চৈয়দ চাদুল্লা, ভৱেশ গোস্বামী সহ সৰ্বমুঠ ৫২ গৰাকী শিল্পীৰ সৈতে মত-বিনিময় কৰে।

**বঃভাঃ**
**২৬/৪/২০২০**